**Gulab Chand Kataria**
*Governor of Assam*

सत्यमेव जयते

**Raj Bhavan, Guwahati**
**PIN-781 001**

**শুভেচ্ছাবাণী**

তাৰিখ : ১৪ এপ্ৰিল, ২০২৩

ৰঙালী বিহু আৰু অসমীয়া নৱবৰ্ষ উপলক্ষে অসমৰ সমূহ জনসাধাৰণলৈ মই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

অসমীয়াৰ হিয়াৰ আমঠু ৰঙালী বিহুটো হৈছে এক বাৰেৰহণীয়া উৎসৱ আৰু ইয়াক উলহ-মালহেৰে উদযাপন কৰা হয়। মনৰ উলাহৰ সমাহাৰ আৰু প্ৰকৃতিৰ সৈতে আমাৰ নিবিড় সম্পৰ্কৰ ই প্ৰতীকস্বৰূপ। এই বৰ্ণিল উৎসৱে অসমীয়া নৱবৰ্ষৰ আৰম্ভণি আৰু বীজ সিঁচাৰ বতৰৰ আগমনৰ বতৰা দিয়ে। এই উৎসৱৰ সময়ত প্ৰকৃতিৰ প্ৰতি আমাৰ মৰম আৰু ভালপোৱাৰ কোনো পৰিধি নাথাকে।

বিহু হৈছে অসমীয়াৰ মন, শৰীৰ আৰু আত্মাৰ উৎসৱমুখৰ মনোভাৱ তথা আনন্দময় প্ৰকৃতিৰ বহিঃপ্ৰকাশ, যিয়ে সুন্দৰ পৰিৱেশ সম্পৰ্কত আমাৰ সত্তাক দাঙি ধৰে।

মই আশাকৰোঁ ঢোল, পেঁপা, গগনাৰ ছন্দ আৰু ফুলি উঠা কপৌ ফুলে অসমত শান্তি, সমৃদ্ধি আৰু প্ৰাচুৰ্যৰ সূচনা কৰিব আৰু লগতে যুগ যুগ ধৰি বিৰাজ কৰি অহা আমাৰ সাতামপুৰুষীয়া পাৰম্পৰিক সম্ভাৰক অধিক শক্তিশালী কৰি তুলিব।

**জয় হিন্দ**

**(গুলাব চান্দ কাটাৰিয়া)**

ৰাজ্যপাল, অসম

**Tel : (0361) 2540500 (O) ; Fax : (0361) 2731832; Email : rajbhavan-assam@gov.in**